# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-09-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১।  ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ছিয়াচেন বেছ্ কেম্প পৰিদৰ্শন কৰিব।

২।  প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মহাৰাষ্ট্ৰৰ পুনে ভ্ৰমণ কৰিব।

৩।  বিদেশ মন্ত্ৰী ড° এছ্ জয়শংকৰে কালি নিউয়ৰ্কত বিভিন্ন দেশৰ বিদেশ মন্ত্ৰীক সাক্ষাৎ কৰে।

৪।  জম্মু-কাশ্মীৰ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ত কালি সন্ধিয়া ৭ বজা পৰ্যন্ত ৫৪ দশমিক ১-১ শতাংশ ভোটদান হয়।

*আৰু*

৫।  ভাৰতৰ কিদাম্বি শ্ৰীকান্ত মাকাউ অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ছিয়াচেন বেছ্ কেম্প পৰিদৰ্শন কৰিব। এই সময়ছোৱাত ৰাষ্ট্ৰপতিগৰাকীয়ে তাত নিয়োজিত ভাৰতীয় সেনা বাহিনীৰ জোৱানসকলৰ সৈতে বাৰ্তালাপ কৰিব।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে শণিবাৰে হায়দৰাবাদৰ সমীপৰ বলাৰুমত থকা ৰাষ্ট্ৰপতি নিলয়মত ভাৰতীয় কলা মহোৎসৱ উদ্বোধন কৰিব। এই মহোৎসৱ অসম, অৰুণাচল প্ৰদেশ, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ত্ৰিপুৰা আৰু ছিকিমৰ চহকী আৰু বৈচিত্ৰ্যময় সাংস্কৃতিক ঐতিহ্যৰ প্ৰতি উৎসৰ্গা কৰা হৈছে।

ৰাষ্ট্ৰপতি নিলয়মত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত ৰাষ্ট্ৰপতি ভৱনৰ বিষয়া স্বাতী চাহীয়ে কয় যে, ২৯ ছেপ্তেম্বৰৰ পৰা ৬ অক্টোবৰলৈ হ'বলগীয়া এই ভাৰতীয় কলা মহোৎসৱত উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতিক সজীৱ ৰূপত তুলি ধৰা হ'ব। মহোৎসৱৰ এই বিশেষ সংস্কৰণটোৱে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহক সাংস্কৃতিক সমন্বয়ৰ বিশেষ কেন্দ্ৰৰূপে গঢ়ি তোলাৰ ৰাষ্ট্ৰপতিৰ দৃষ্টিভংগীক আগুৱাই নিব বুলি তেওঁ মন্তব্য কৰে।

উত্তৰ-পূব হস্তশিল্প আৰু হস্ততাঁত উন্নয়ন নিগমৰ পৰিচালন সঞ্চালক ব্ৰিগেডিয়াৰ আৰ. কে. সিঙে জনোৱা অনুসৰি এই মহোৎসৱত ৪০০ গৰাকী শিল্পী তথা শিপিনীয়ে অংশগ্ৰহণ কৰিব।

মহোৎসৱত বিনামূলীয়া প্ৰৱেশৰ বাবে আগ্ৰহী আটাইকে ৰাষ্ট্ৰপতি নিলয়মৰ ৱেবছাইটত পঞ্জীয়ন কৰিবলৈ শ্ৰীচাহীয়ে অনুৰোধ জনাইছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মহাৰাষ্ট্ৰৰ পুনে ভ্ৰমণ কৰিব। ভ্ৰমণৰ সময়ছোৱাত শ্ৰীমোদীয়ে ২২ হাজাৰ ৬ কোটি টকাৰো অধিক ব্যয় সাপেক্ষ ভালেমান প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে আন ভালেমান প্ৰকল্প ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিব। প্ৰধানমন্ত্ৰীয়ে আজি পুনেৰ জিলা আদালতৰ পৰা স্বৰগেটলৈ চলিবলগীয়া মেট্ৰ' ৰে'লৰ যাত্ৰাৰো পতাকা জোকাৰি শুভাৰম্ভ কৰিব।

দেশক ছুপাৰ কম্পিউটিং প্ৰযুক্তিৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল কৰি তোলাৰ প্ৰতিশ্ৰুতি অনুসৰি প্ৰধানমন্ত্ৰীয়ে আজি ৰাষ্ট্ৰীয় ছুপাৰ কম্পিউটিং অভিযানৰ অধীনত থলুৱাভাৱে নিৰ্মিত প্ৰায় ১৩০ কোটি টকা ব্যয় সাপেক্ষ তিনিটা পৰম ৰুদ্ৰ ছুপাৰ কম্পিউটাৰ ৰাষ্ট্ৰৰ প্ৰতি উৎসৰ্গা কৰিব। এই ছুপাৰ কম্পিউটাৰ তিনিটা বৈজ্ঞানিক গৱেষণাৰ সুবিধাৰ বাবে পুনে, দিল্লী  আৰু কলকাতাত ৰখা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীত তেওঁৰ বাসগৃহত ৪৫ সংখ্যক ডবা অলিম্পিয়াডত চেম্পিয়নৰ খিতাপ অৰ্জন কৰা ভাৰতীয় দলৰ সদস্যসকলক সাক্ষাৎ কৰে। সাক্ষাতৰ সময়ছোৱাত প্ৰধানমন্ত্ৰীগৰাকীয়ে খিতাপ অৰ্জন কৰা খেলুৱৈসকলৰ মাজত আয়োজিত এখন খেল উপভোগ কৰে। উল্লেখযোগ্য যে, হাংগেৰীৰ বুডাপেষ্টত শেহতীয়াকৈ অনুষ্ঠিত চলিত বৰ্ষৰ ডবা অলিম্পিয়াডৰ পুৰুষ আৰু মহিলা উভয় শাখাতে ভাৰতে সোণৰ পদক অৰ্জন কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জ্যেষ্ঠ বিজেপি নেতা তথা ৰাজস্থানৰ সুৰসাগৰৰ প্ৰাক্তন বিধায়ক সূৰ্যকান্তা ব্যাসৰ মৃত্যুত গভীৰ শোকপ্ৰকাশ কৰিছে। সামাজিক মাধ্যমত লিখা এটা পোষ্টত শ্ৰীমোদীয়ে কয় যে, জন কল্যাণমূলক কামৰ বাবে বিধায়কগৰাকী চিৰস্মৰণীয় হৈ ৰ'ব। শেহতীয়া যোধপুৰ ভ্ৰমণৰ সময়ত প্ৰয়াত ব্যাসে বিমান বন্দৰলৈ আহি প্ৰধানমন্ত্ৰীক আশীৰ্বাদ প্ৰদান কৰাৰ বিষয়েও তেওঁ উল্লেখ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা দেওবাৰে আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৪ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে কাইলৈ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে ২৯ ছেপ্তেম্বৰত দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

বিদেশ মন্ত্ৰী ড° এছ্ জয়শংকৰে নিউয়ৰ্কত অনুষ্ঠিত ৰাষ্ট্ৰসংঘৰ ৭৯ সংখ্যক সাধাৰণ সভাৰ আপাহতে যোৱানিশা ৰাছিয়াৰ বিদেশ মন্ত্ৰী ছাৰ্গেই লেভৰভৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়। সামাজিক মাধ্যমত লিখা এটা পোষ্টত ড° জয়শংকৰে কয় যে, বৈঠকৰ সময়ত তেওঁ ৰাছিয়াৰ বিদেশ মন্ত্ৰীগৰাকীৰ সৈতে দ্বিপাক্ষিক সহযোগিতা আৰু বিভিন্ন আঞ্চলিক বিষয় লৈ আলোচনা কৰে। ড° জয়শংকৰে নিউজিলেণ্ডৰ বিদেশ মন্ত্ৰী উইনষ্টন পিটাৰ্ছকো সাক্ষাৎ কৰে। তেওঁ লগতে বেলজিয়ামৰ প্ৰধানমন্ত্ৰী আলেকজেণ্ডাৰ ডি ক্ৰুককো সাক্ষাৎ কৰে আৰু উৎপাদন আৰু প্ৰযুক্তি সহযোগিতাৰ লগতে ইউক্ৰেইনৰ পৰিস্থিতি সন্দৰ্ভত মত বিনিময় কৰে। বিদেশমন্ত্ৰীগৰাকীয়ে গ্ৰীচৰ বিদেশ মন্ত্ৰী জিঅ'ৰগছ গেৰাপেট্ৰিটিছৰ সৈতেও শক্তি, যোগাযোগ তথা প্ৰতিৰক্ষাকে ধৰি বিভিন্ন বিষয় লৈ বাৰ্তালাপ কৰে। ড° জয়শংকৰে ব্ৰিটেইনৰ বিদেশ মন্ত্ৰী ডেভিদ লামিৰ সৈতেও বৈঠকত মিলিত হয়। বৈঠকত দুয়োগৰাকী মন্ত্ৰীয়ে উভয় দেশৰ সৰ্বাত্মক কৌশলগত সহযোগিতা ত্বৰান্বিত কৰাৰ সন্দৰ্ভত  আলোচনা কৰে।

সাধাৰণ সভাৰ আপাহতে বিদেশ মন্ত্ৰীগৰাকীয়ে বিভিন্ন দেশৰ প্ৰতিনিধি আৰু কূটনীতিবিদক সাক্ষাৎ কৰে। ইয়াৰ ভিতৰত কাজাখস্তানৰ বিদেশ মন্ত্ৰী নাৰ্টলেউ আৰু মৰক্কোৰ বিদেশমন্ত্ৰী নাছেৰ বৌৰিতা অন্যতম।

০০০০০

জম্মু-কাশ্মীৰ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ত কালি সন্ধিয়া ৭ বজা পৰ্যন্ত ৫৪ দশমিক ১-১ শতাংশ ভোটদান হয়। নিৰ্বাচন আয়োগে ২৬টা বিধানসভা সমষ্টিত শান্তিপূৰ্ণভাৱে আৰু কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা অবিহনে ভোটগ্ৰহণ অনুষ্ঠিত হোৱা বুলি জানিবলৈ দিছে।

জম্মু-কাশ্মীৰৰ উপ ৰাজ্যপাল মনোজ সিনহাই ভোটাধিকাৰ সাব্যস্ত কৰাৰ বাবে ভোটদাতা ৰাইজক অভিনন্দন জ্ঞাপন কৰিছে। নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ বাবে অহা ১ অক্টোবৰত ভোটগ্ৰহণ কৰা হ'ব।

০০০০০

কেন্দ্ৰত নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ ১০০ দিন  সম্পূৰ্ণ হৈছে। এই সময়ছোৱাত চৰকাৰে আন্তঃগাঁথনি, কৃষক, মধ্যবিত্ত শ্ৰেণী মহিলা আৰু যুৱক-যুৱতীৰ বিকাশত গুৰুত্ব আৰোপ কৰি ১৫ লাখ কোটি টকাৰ বিভিন্ন আঁচনি মুকলি কৰিছে।

চৰকাৰে সামাজিক, আৰ্থিক আৰু ন্যায়িক সবলীকৰণত বিশেষ গুৰুত্ব আৰোপ কৰিছে। চৰকাৰে ঔপনিৱেশিক আইনৰ ঠাইত ৩ খন নতুন আইন প্ৰৱৰ্তন কৰি দ্ৰুত বিচাৰ আৰু ন্যায় সুনিশ্চিত কৰিবলৈ বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰোপৰি চৰকাৰে একীকৃত পেন্সন আঁচনিৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ ২৩ লাখ কৰ্মচাৰীৰ সুবিধাৰ্থে ৫০ শতাংশ পেন্সন প্ৰদান কৰাৰ প্ৰতিশ্ৰুতি দিছে। ইয়াৰ উপৰি অৱসৰপ্ৰাপ্ত সুৰক্ষা কৰ্মী আৰু তেওঁলোকৰ পৰিয়ালৰ কল্যাণৰ অৰ্থে চৰকাৰে এটা ৰেংক, এটা পেন্সন আঁচনিৰো সংশোধন কৰিছে। ইপিনে, এই ১০০টা দিনৰ ভিতৰত ১৫ হাজাৰ যুৱক-যুৱতীক বিভিন্ন মন্ত্ৰালয় আৰু বিভাগত নিযুক্তি দিয়া হৈছে।

০০০০০

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কালি নতুন দিল্লীত চলিত বৰ্ষৰ **স্বচ্ছতা হি সেৱা** অভিযানত অংশগ্ৰহণ কৰে। এই উপলক্ষে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে স্বচ্ছতা আৰু পৰিৱেশৰ ভাৰসাম্য ৰক্ষাৰ প্ৰয়োজনত আলোকপাত কৰে। তেওঁ লগতে পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু পৰিৱেশ বহন ক্ষমতাৰ বাবে মন্ত্ৰালয়ৰ বিষয়াসকলক শপত বাক্য পাঠ কৰোৱায়। **এক পেড় মা কে নাম** উদ্যমৰ অধীনত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে **সূচনা ভৱনত** এটি

গছপুলি ৰোপন কৰে আৰু পৰিৱেশৰ প্ৰতি থকা ব্যক্তিগত দায়িত্বত আলোকপাত কৰি মন্ত্ৰালয়ৰ কৰ্মচাৰীসকলৰ মাজত গছপুলি বিতৰণ কৰে।

অনুষ্ঠানত তথ্য আৰু সম্প্ৰচাৰ ৰাজ্যমন্ত্ৰী এল মুৰুগান আৰু সচিব সঞ্জয় জাজুকে ধৰি অন্যান্য বিষয়াবৰ্গ উপস্থিত থাকে।

00000

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি পৰ্যন্ত অসম, মেঘালয় আৰু অৰুণাচল প্ৰদেশৰ বিভিন্ন অঞ্চলত মুষলধাৰ বৰষুণৰ আগজাননী জাৰি কৰিছে। বিভাগে জাৰী কৰা আগলি বতৰা অনুসৰি নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, পশ্চিম মধ্যপ্ৰদেশ, গোৱা, মধ্য মহাৰাষ্ট্ৰ, ছিকিম আদি অঞ্চলত কাইলৈ পৰ্যন্ত ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। বিভাগে অহা ৭ দিনৰ ভিতৰত কেৰালা, মাহে, লাক্ষাদ্বীপ, কৰ্ণাটকৰ দক্ষিণ আভ্যন্তৰীন অঞ্চল, অন্ধ্ৰপ্ৰদেশৰ উপকূলীয় অঞ্চল আৰু য়ানামত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হ'ব পাৰে বুলি প্ৰকাশ কৰিছে।

00000

ভাৰতৰ কিদাম্বি শ্ৰীকান্ত মাকাউ অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ প্ৰথম ৰাউণ্ডৰ খেলত কালি ইজৰাইলৰ ডেনিল ডুবোভেনকোক ২১-১৪, ২১-১৫ গেমত পৰাস্ত কৰে।

ইপিনে, মিক্সড ডাবলছত এন ছিক্কি ৰেড্ডী আৰু বি সুমিত ৰেড্ডীৰ ভাৰতীয় যুঁটীটোৱে মালয়েছিয়াৰ হো লো ই আৰু লু বিং কুনৰ যুঁটীটোক ২৪-২২, ১০-২১, ২১-১৩ গেমত পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে।

00000

ভাৰতে কালি ২০ বছৰ অনুৰ্ধৰ এ এফ চি এছিয়ান কাপ ফুটবল প্ৰতিযোগিতাৰ যোগ্যতা নিৰ্ণয়কাৰী খেলত মংগোলীয়াক ৪-১ গলৰ ব্যৱধানত পৰাস্ত কৰে। এই জয়ৰ সুবাদত ভাৰতে গ্ৰুপ-জিত ৩ পইণ্ট অৰ্জন কৰে। ভাৰতৰ হৈ কেলভিন সিং, কৰৌ সিং থিনগুজামে এটাকৈ আৰু মাংলেনথাং কিপগেনে দুটা গল দিয়ে। পৰৱৰ্তী খেলখনত ভাৰত কাইলৈ ইৰানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। গ্ৰুপৰ শীৰ্ষত থকা দলটোৱে চীনত অহা বছৰ হ'বলগীয়া চূড়ান্ত পৰ্যায়ৰ প্ৰতিযোগিতালৈ পোনপতীয়াকৈ যোগ্যতা অৰ্জন কৰিব।

00000

**সমাপ্ত**